তেখেত কেতিয়াও অশ্লীলভাষী নাছিল, আৰু বেয়া ব্যৱহাৰো কৰা নাছিল, লগতে তেখেতে কেতিয়াও বজাৰত চিঞৰ বাখৰ কৰা নাছিল, এইদৰে তেখেতে কেতিয়াও অন্যায়ৰ প্ৰতিশোধ অন্যায়ৰ দ্বাৰা লোৱা নাছিল। বৰং তেখেতে ক্ষমা কৰিছিল আৰু মাফ কৰি দিছিল।

আবু আব্দিল্লাহ আল-জাদালীয়ে কৈছেঃ উম্মুল মু'মিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ সম্পৰ্কে সোধাত তেওঁ কৈছেঃ "তেখেত কেতিয়াও অশ্লীলভাষী নাছিল, আৰু বেয়া ব্যৱহাৰো কৰা নাছিল, লগতে তেখেতে
কেতিয়াও বজাৰত চিঞৰ বাখৰ কৰা নাছিল, এইদৰে তেখেতে কেতিয়াও অন্যায়ৰ প্ৰতিশোধ
অন্যায়ৰ দ্বাৰা লোৱা নাছিল। বৰং তেখেতে ক্ষমা কৰিছিল আৰু মাফ কৰি দিছিল।"
[ছহীহ] [(তিৰমিজী, আহমদ)]

মই উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আখলাক্ব সম্পৰ্কে প্ৰশ্ন কৰাত তেওঁ কৈছেঃ তেখেতৰ স্বভাৱত কোনো ধৰণৰ অশ্লীলতা নাছিল, কথাৰ দ্বাৰাই হওক বা কৰ্মৰ দ্বাৰা তেখেতে কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাছিল। হাট-বজাৰত তেখেতে কেতিয়াও চিঞৰ বাখৰ কৰা নাছিল। এইদৰে তেখেতে কেতিয়াও অন্যায়ৰ প্ৰতিশোধ অন্যায়ৰ দ্বাৰা লোৱা নাছিল। প্ৰয়োজন হ'লে তেখেতে উত্তম পন্থাৰে প্ৰতিশোধ লৈছিল, আৰু আন্তৰিকতাৰে ক্ষমা কৰি দিছিল, লগতে প্ৰকাশ্যভাৱে আওকাণ কৰিছিল।

https://sunnah.global/hadeeth/as/show/10974